**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 1-09-2026 **Time :** 0900 Hrs.

***<u>Assamese Morning Bulletin</u>***

**<u>HEADLINES</u>**

১। নাগালেণ্ডত মুষলধাৰ বৰষুণৰ ফলত উজনি অসমৰ কেইখনো জিলাত পুনৰ বানৰ আশংকা। ভোগদৈ নৈৰ জলস্তৰ বৃদ্ধি, গহপুৰত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে বাগৰিছে পানী।

২। উজনি অসমৰ বান ক্ষতিগ্ৰস্ত তিনিখন জিলাৰ ১৬ হাজাৰ ৭৪৬ টা পৰিয়ালক আজি ১৫ হাজাৰ টকাকৈ চৰকাৰী আৰ্থিক সাহায্য প্ৰদান।

৩। ৰাজ্যৰ ৩১২ খন আৰক্ষী থানাৰ সীমা নতুনকৈ নিৰ্ধাৰণ। সীমা নিৰ্ধাৰণ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ গৃহবিভাগৰ অধিসূচনা জাৰি।

৪। দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত কাইলৈৰ পৰা দুদিনীয়াকৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সন্মিলন।

**আৰু**

৫। মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ ৪৩০ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ-নামঘৰত হৰিনামৰ ধ্বনি।

০০০০০০

উজনি অসমৰ কেইখনো জিলাত পুনৰ বানৰ আশংকাই দেখা দিছে। নাগালেণ্ডত হোৱা প্ৰবল বৰষুণৰ ফলত ভোগদৈ নদীৰ জলস্তৰ পুনৰ বৃদ্ধি পাইছে। কালি বিয়লি ভোগদৈ নৈৰ জলপৃষ্ঠ ৮৯ দশমিক ১-৪ চেণ্টিমিটাৰ হৈছে। জলসম্পদ বিভাগৰ তথ্য অনুসৰি ভোগদৈ দলঙৰ সমীপত নদীখনৰ জলপৃষ্ঠ বিপদসীমাৰ ১৪ চেণ্টিমিটাৰ ওপৰেৰে বৈছে। যাৰ বাবে পুনৰ যোৰহাটৰ নৈ কাষৰীয়া লোকসকল চিন্তিত হৈ পৰিছে। আজি পুৱাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত মুষলধাৰ বৰষুণ হোৱাত বিভিন্ন অঞ্চলত বান পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনাই দেখা দিছে। ইতিমধ্যে বান বিধবস্ত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনে পুনৰ হাই এলাৰ্ট জাৰি কৰিছে। নাগালেণ্ডৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে প্ৰকাশ কৰা বিবৃতিৰ ওপৰত ভিত্তি কৰি ৩০ আগষ্টৰ পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত সকলোকে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে। ইপিনে বিশ্বনাথ জিলাৰ গহপুৰত চত্ৰং, ব্ৰহ্মাজান আৰু সোলেঙী আদি পাহাৰীয়া নৈসমূহৰ বাঢ়নি পানীয়ে গহপুৰত ভয়াবহ বানৰ সৃষ্টি কৰিছে। চত্ৰং নৈয়ে গহপুৰৰ সাত নম্বৰ ৱাৰ্ডৰ গাৰ্ড ৱাল আৰু গোপালবস্তিত মঠাউৰি ভাঙি পেলায়। ন-বিল অঞ্চলত পথৰ ওপৰেৰে পানী বাগৰাৰ ফলত ৰাইজৰ যাতায়াতত যথেষ্ট অসুবিধাই দেখা দিছে। তদুপৰি

গহপুৰৰ কনকলতা অসামৰিক চিকিৎসালয় চৌহদতো পানী সুমুৱাৰ বাবে ৰোগীসকলৰ অহা-যোৱাত যথেষ্ট অসুবিধা হৈছে। গহপুৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেদি পানী বাগৰাত যাতায়াতত অসুবিধাৰ সৃষ্টি হৈছে। সোলেঙী নদীৰ পানী বঢ়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰে কালি সন্ধিয়াৰে পৰা পানী বাগৰিছে।

oooooo

উজনি অসমৰ বান ক্ষতিগ্ৰস্ত তিনিখন জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বানক্ষতিগ্ৰস্ত পৰিয়াল সমূহলৈ  ১৫ হাজাৰ টকাকৈ আজি প্ৰদান কৰা হ'ব।

পূৰ্বে বাকী ৰোৱা ১৬ হাজাৰ ৭৪৬ টা পৰিয়ালক এই পৰ্য্যায়ত  সামৰি লোৱা হ'ব। আজি দিনৰ ১১ বজাত দিচপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত এই উদ্দেশ্য আয়োজিত অনুষ্ঠানত মখুমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু ৰাজহ তথা দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তও উপস্থিত থাকিব।

ইপিনে, চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো আজি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বৈদেশিক ভাষা প্ৰশিক্ষণ পদক্ষেপৰ অংশ হিচাপে জাপানী ভাষাৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত  এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত নামভৰ্তি কৰা ১৪৮ গৰাকী আৰু ২০২৬-২৭ বৰ্ষত নতুনকৈ নামভৰ্তি কৰা ৫২ গৰাকী শিক্ষাৰ্থীক আৰ্থিক সাহায্য প্ৰদান কৰা হব। প্ৰতিগৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ গ্ৰহণৰ বাবে তিনিটা কিস্তিত মুঠ ১ লাখ টকাকৈ দিয়া হ'ব। প্ৰাৰ্থীসকলে নিযুক্ত লাভ কৰাৰৰ পাছত ৫০ হাজাৰ টকাৰ অনুমোদন দিয়া হ'ব। এই আঁচনিৰ বাবে চৰকাৰে ২ দশমিক ৮ কোটি টকাৰ অনুমোদন জনাইছে।

মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনতো আজি চৰকাৰী আৰু ৰাজহুৱা শিক্ষানুষ্ঠানৰ সদ্য স্নাতক সকলৰ বাবে আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হ'ব। ৪৮ হাজাৰ ১৮৮ গৰাকী অৰ্হতা সম্পন্ন প্ৰাৰ্থীক ১২ মাহৰ বাবে আঢ়ৈ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ১১৮ দশমিক ৬ কোটি টকা ধাৰ্য্য কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কিৰ্গিস্তানৰ ৰাজধানী বিছকেকত  ২৬ সংখ্যক চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাষণ দিব। চাংহাই সহযোগিতা সংস্থাৰ ২৫ বৰ্ষপূৰ্তি উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে চীন আৰু ৰাছিয়াকে ধৰি চাংহাই সহযোগিতা সংস্থাৰ ১০খন সদস্য ৰাষ্ট্ৰ আছে। ভাৰত ২০১৭ চনৰে পৰা ইয়াৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হৈ আছে।

oooooo

ৰাজ্য চৰকাৰে ৰাজ্যৰ ৩১২ খন আৰক্ষী থানাৰ সীমা নতুনকৈ নিৰ্ধাৰণ কৰিছে। ৰাজ্যৰ গৃহ বিভাগে কালিৰে পৰা তাৎক্ষিকভাৱে কাৰ্যকৰী হোৱাকৈ এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে। চৰকাৰৰ অধিসূচনা অনুসৰি এখন থানা যাতে এটা বিধানসভা সমষ্টিৰ সীমাতে অন্তৰ্ভুক্ত হয় তাৰ বাবে যোৱা বছৰ অনুষ্ঠিত আৰক্ষী অধীক্ষকৰ সন্মিলনত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত থানাৰ সীমা নিৰ্ধাৰণৰ প্ৰয়োজনীয়তা অহাৰ বাবে চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি ১২৬ টা বিধানসভা সমষ্টিৰ সৈতে মিল ৰাখি ৩১২ খন থানাৰ সীমা সলনি কৰা হৈছে। প্ৰশাসনিক সুবিধা, আইন শৃংখলা পৰিস্থিত ৰক্ষা আৰু

জনসাধাৰণৰ সেৱাৰ স্বাৰ্থত চৰকাৰে থানাৰ সীমা নিৰ্ধাৰণ কৰা বুলি প্ৰকাশ কৰিছে। কোনখন গাঁও বা কোনটো ৱাৰ্ড কোনখন থানাৰ অধীনত পৰিব তাৰ তালিকাও গৃহ বিভাগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পূৰ্বতে এখন থানা দুই-তিনিটা সমষ্টিৰ অধীনত থকাত প্ৰশাসনিক দিশ পৰিচালনাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল।

০০০০০০০

ক্ষেত্ৰীৰ ৰাষ্ট্ৰীয় ঘাইপথত পৰহি সংঘটিত পথ দুৰ্ঘটনাত জড়িত দোষীক আইনৰ আওতালৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ইতিমধ্যে অসম আৰক্ষীয়ে ঘটনা সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী গৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় ঘাইপথত থকা গাঁত আৰু মেৰামতিৰ অভাৱত এই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে। ইতিমধ্যে সমগ্ৰ বিষয়টোক লৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষৰ অধ্যক্ষৰ সৈতে ৰাজ্য চৰকাৰৰ মুখ্য সচিবে বাৰ্তালাপ কৰা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জানিবলৈ দিয়ে। লগতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষৰ অধ্যক্ষগৰাকীয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ মেৰামতিৰ কাম শীঘ্ৰেই আৰম্ভ কৰাৰ লগতে ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয়, সেই ক্ষেত্ৰত দৃষ্টি ৰাখিব বুলিও প্ৰতিশ্ৰুতি দিয়া বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে। আনহাতে পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

ইপিনে ঘাইপথৰ শোচনীয় অৱস্থাৰ পাছতো টোল সংগ্ৰহ কৰি থকাক লৈ কালি ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। ঘাইপথ মেৰামটি নকৰা পৰ্যন্ত টোল নিদিয়াৰ বাবে ৰাইজে জনোৱা দাবী সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

(বাইট ঃ ড০ শৰ্মা)

ইফালে সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ সকলোবোৰ ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতি কৰাৰ দাবীৰে ১১ ছেপ্তেম্বৰত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। কালি উজানবজাৰস্থিত বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সভাতে জাতীয় জীৱনৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়, ছাত্ৰ সমাজৰ স্বাৰ্থ সুৰক্ষা, ভাষা সংস্কৃতি সংৰক্ষণ তথা অসমৰ সামগ্ৰিক উন্নয়নৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০

ৰাজ্য চৰকাৰে উজনি অসমৰ তিনিখন বান বিধ্বস্ত জিলাৰ আত্ম সহায়ক গোটৰ মহিলাসকলক পুনৰ ১০ হাজাৰকৈ টকা প্ৰদান কৰিব। জিলাকেইখনৰ ক্ষতিগ্ৰস্ত লোকসকলক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাৰ বাবেও চৰকাৰে চেষ্টা চলাব। শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখৈল গগৈক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই আশ্বাস প্ৰদান কৰিছে। কালি সন্ধিয়া জনতা ভৱনত শিৱসাগৰৰ বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাক সাক্ষাৎ কৰাৰ সময়ত তেওঁক এই আশ্বাস দিয়ে। তদুপৰি জিলা তিনিখনৰ ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক আজিৰ ভিতৰত ১৫ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সাক্ষাৎৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিৱসাগৰৰ বিধায়কগৰাকীয়ে কয়, যে মঙলবাৰৰ ভিতৰত বঞ্চিত হৈ থকা ১৬ হাজাৰ বান ক্ষতিগ্ৰস্ত পৰিয়ালে ১৫ হাজাৰ টকাকৈ সাহায্য লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে নিশ্চিতি দিছে। অৱশ্যে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসকলক ১০ লাখ টকাকৈ সাহায্য প্ৰদানৰ দাবী এতিয়াও মুখ্যমন্ত্ৰীয়ে মানি

লোৰা নাই বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে বানত জিলাখনৰ ১৬০ কিলোমিটাৰ পথ সম্পূর্ণৰূপে বিধবস্ত হৈছে। এই পথ মেৰামতি কৰিবলৈও মুখ্যমন্ত্রীক আহ্বান জনোৱা হৈছে। বানত ক্ষতিগ্রস্ত মহাবিদ্যালয়সমূহক চৰকাৰে ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত লৈছে বুলিও অখিল গগৈয়ে সাংবাদিকৰ আগত অৱগত কৰে।

(বাইট ঃ অখিল গগৈ)

oooo

গোলাঘাট জিলাৰ দেৰগাঁৱত অৱস্থিত লাচিত বৰফুকন পুলিচ একাডেমীত কাইলৈ আৰু পৰহিলৈ দুদিনীয়া কাৰ্য্যসূচীৰে জেষ্ঠ্য আৰক্ষী অধীক্ষক সকলৰ সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলনৰ কাইলৈ প্রথমদিনা দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হ'ব। মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মা এই সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। প্ৰশিক্ষণ সমাপ্ত কৰা ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্ঠবলে এই দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিব।

oooooo

অসমীয়া সমাজ সংস্কৃতিৰ অন্যতম বৰভেটি গঢ়োতা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অন্যতম প্ৰিয় শিষ্য, নামঘোষা, ভক্তিৰত্নাৱলী, ভালেসংখ্যক বৰগীত আদিৰে চহকী কৰা মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ আজি ৪৩০ সংখ্যক তিৰোভাৱ তিথি। এই উদ্দেশ্যে ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহ সজাই পৰাই তোলা হৈছে। মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিথি উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। মহাপুৰুষ জনাৰ তিৰোভাৱ তিথি উপলক্ষে উজনি মাজুলীৰ শ্ৰী শ্ৰী টকৌবাৰী সত্ৰ আৰু শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰত গুৰুজনাৰ তিৰোভাৱ তিথিৰ বৰ্ণাঢ্য আয়োজন কৰা হৈছে।

শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰই মহাপুৰুষ জনাৰ তিথি **গুৰুকীৰ্ত্তন** হিচাপে চাৰিদিনীয়াকৈ পালন কৰিছে। প্ৰথম দিনা চাউল ভোজনী, দ্বিতীয় দিনা থাপনি, আজি তৃতীয় দিনা মূল কীৰ্ত্তন আৰু কাইলৈ শেষৰ দিনা ভাঙনী অনুষ্ঠিত হ'ব।

নগাঁও জিলাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত আজি গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে পুৱাৰ পৰাই নাম প্ৰসঙ্গ আৰু বিভিন্ন কাৰ্য্যসূচী অনুষ্ঠিত হৈছে।

ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত বিশেষকৈ নামৰূপ, নাহৰকটীয়া, দুলীয়াজান, টেঙাখাট, চাবুৱা, লাহোৱাল, মৰান, বৰবৰুৱা আদিকে ধৰি সকলো অঞ্চলতে আজি পুৱাৰে পৰা নাম কীৰ্ত্তন, শাস্ত্ৰ পাঠ, গায়ন-বায়নৰ জৰিয়তে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে জিলাখনৰ বগুৱানৰ শ্ৰীশ্ৰী কেওলীয়া হাটী সত্ৰ আৰু গোৱালপাৰা চহৰৰ শ্ৰী শ্ৰী শ্যাম ৰায় সত্ৰত পুৱাৰে পৰা নাম প্ৰসঙ্গৰ লগতে আন আন কাৰ্য্যসূচী ৰূপায়ন কৰা হৈছে। একেদৰে জিলাখনৰ বিভিন্ন সত্ৰ আৰু নামঘৰ সমূহত গুৰুজনাৰ তিৰোভাৱ তিথি আয়োজন কৰা হৈছে।

বৰপেটা সত্ৰতো আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪৩০ সংখ্যক তিথি মহোৎসৱ আয়োজন কৰা হৈছে। কীৰ্ত্তন মহোৎসৱৰূপে পালন কৰা এই অনুষ্ঠানৰ বিষয়ে আমাক জনাইছে বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই -

(বাইট)

০০০০০

News paper review (1-09-26)

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহে সোণাপুৰত দেওবাৰে সংঘটিত শোকাবহ পথ দুৰ্ঘটনা , নেপালৰ জলপ্ৰলয় দুহেজাৰ ছাব্বিছ সাতাইছ বিত্তীয় বৰ্ষৰ প্ৰথম তিনি মাহত দেশৰ মুঠ বৰুৱা উৎপাদন সাত দশমিক আঠ শতাংশলৈ বৃদ্ধি আদি বাতৰিয়ে প্ৰধান বাতৰিৰ স্থান লাভ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে সোণাপুৰৰ ট 'লগেট ভাঙি গণগৰ্জন শিৰোনামেৰে সোণাপুৰৰ দুৰ্ঘটনাৰ বাতৰি আলোকচিত্ৰসহ সবিষ্টাৰে বক্স নিউজ হিচাপে প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতৰ শিৰোনাম ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ ভুলৰ বাবেই দুৰ্ঘটনা। আছাম ট্ৰিবিউন কাকতে বাতৰিটো , ঘাতক ৰাষ্ট্ৰীয় ঘাইপথৰ মেৰামতিৰ বাবে এন এইচ এ আই ৰ সাতদিনৰ সময় লাগিব বুলি পৰিৱেশন কৰিছে । দৈনিক অসম কাকতৰ শিৰোনাম - জীৱনৰে হেতালি খেলি দুহেজাৰ পাঁচশ কোটি টকা উপাৰ্জন ,পাঁচ বছৰত ৰাজ্যৰ ট 'লগেটৰ পৰা অভিলেখ সংখ্যক মাচুল সংগ্ৰহ। আমাৰ অসম কাকতে নেপালত মৃতকৰ সংখ্যাই পাঁচ হেজাৰ চুবগৈ পাৰে ,সহস্ৰাধিক দেহ উদ্ধাৰ শীৰ্ষক বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে বাতৰিটো মৰ্গত ঠাই নাই, ভিৰ হাস্পাতালত, গণ কবৰৰ সিদ্ধান্ত নেপাল চৰকাৰৰ শিৰোনামেৰে প্ৰকাশ কৰিছে। জামুগুৰি আৰু ঢেকিয়াজুলি আৰক্ষীৰ যৌথ অভিযানত চুৰি কৰি লুকুৱাই থোৱা ছশ কাৰ্টুন মিঠাতেল চল্লিছ বস্তা দাইল উদ্ধাৰৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে আন্তৰ্জাতিক ফুটবলৰ পৰা মেচিৰ অৱসৰ আৰু ত'মিকোহ, ৰুনা খান আৰু ব 'কী লৈ ৰমন মেগছেছে বঁটা আগবঢ়োৱাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দা ছেণ্টিনেল কাকতে ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম তৃ মাসিকত সাত দশমিক আঠ শতাংশলৈ বৃদ্ধি পোৱাৰ বাতৰি পৰিৱেশন কৰিছে।

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা

সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০

সমাপ্ত